بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদাছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ০৭ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল মুছতাকিম ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৰাৰ (আইঃ)য়ে কয় যে - যোৱা জুমাৰ খোতবাৰ পৰা হজৰত ছাআদ বিন মুআজ (ৰাঃ)ৰ বিষয়ে চমু এটা চমু বৰ্ণনাৰ আৰম্ভণী হৈছে।এই উচ্চ মৰ্যদা সম্পন্ন ছুৰা ৰাআদৰ ১২ নং আয়াত তিলাওয়াত কৰিছিল যেনে - “লাহু মুৱাক্কিবাতুম মিম বায়নি ইয়াদায়হি ওয়া মিন খালফিহি ইয়াহ ফাজুনাহু মিন আমিৰিল্লাহ”। অৰ্থ্যাৎ তাৰ বাবে তাৰ আগে পিছে ৰক্ষণা-বেক্ষণ দি থকা নিৰাপত্তা ৰক্ষী নিযুক্ত আছে। এই সংকলিত আয়াতৰ তফছিৰ কৰিছে যে ৰছুলে কৰিম (ছাঃ)ৰ নবুয়তৰ এই দীৰ্ঘ সময়ছোৱা তেখেত (ছাঃ)ৰ নিৰাপত্তাৰ উজ্জল প্ৰমাণ, যাৰ সম্পৰ্কে আল্লাহ তায়ালা প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। গতিকে মক্কামুৱাজ্জমাত থকা কালীন তেখেত (ছাঃ)ক ফিৰিস্তাৰ দ্বাৰা নিৰাপত্তা দিয়া হৈছিল, নহলে কেনকৈ ইমান শত্ৰুৰ আবেষ্টনীত থাকিও তেখেত (ছাঃ)ৰ প্ৰাণ ৰক্ষা কৰিছিল। হয় ! ইয়াতে মদিনা শ্বৰিফলৈ লৈ অনাৰ ক্ষেত্ৰত তেখেত (ছাঃ)য়ে দুয়ো প্ৰকাৰৰ ৰক্ষণা-বেক্ষণ লাভ কৰিছিল। অৰ্থ্যাৎ আচমানী ফিৰিস্তাৰ সহায় আৰু জমিনি ফিৰিস্তা অৰ্থ্যাৎ চাহাবা সকলৰ ৰক্ষণা-বেক্ষণ। বদৰৰ যুদ্বখন ধৰিবলৈ গলে এই প্ৰকাশ্য আৰু গোপনীয় (বাতনী) হিফজতৰ এটা পৰিপুষ্ট উদাহৰণ। হুজুৰ (ছাঃ)য়ে যেতিয়া মদিনাত আহি উপস্থিত হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে মদিনাৰ বাসিন্দা সকলৰ সকলৰ সৈতে এখন চুক্তি সম্পাদন কৰিব লগা হয় তেন্তে মাদানী সকলক হুজুৰ (ছাঃ)ৰ লগত যোগ দিয়াবলৈ বাধ্য কৰিব নোৱাৰে। সেয়ে বদৰৰ যুদ্বৰ আগ মহুৰ্তত হুজুৰ (ছাঃ)য়ে মুহাজেৰিন আৰু আনছাৰ সকলৰ পৰা এই যুদ্ব সম্পৰ্কে পৰামৰ্শ বিচাৰিছিল। তেতিয়া মহাজেৰিন সকলে বাৰে বাৰে আগবাঢ়ি আহি যুদ্ব প্ৰদানৰ ওপৰত জোৰ দিছিল। কিন্তু হুজুৰ (ছাঃ)য়ে তেওঁলোকৰ পৰামৰ্শ শুনাৰ পিছতো আকৌ কৈছিল - হে লোক সকল ! তোমালোকে মোক পৰামৰ্শ দিয়া। তেতিয়া এইজনা আনছাৰ চাহাবী ছাআদ বিন মুৱাজ (ৰাঃ)য়ে কৈছিল -কিয় ! হুজুৰ (ছাঃ)ৰ লক্ষ্য আমালোকলৈ হবলা ? হুজুৰ (ছাঃ)য়ে উত্তৰ দিছিল, হয়।তেতিয়া হজৰত ছাআদ বিন বিন মুৱাজে কৈছিল - এয়া হয়তো ঠিক যে আমি হুজুৰ (ছাঃ)ৰ লগত এখন চুক্তি সম্পাদন কৰিছিলো কিন্তু সেই সময় আছিল বেলেগ আৰু এতিয়া যিহেতু আমি দেখিবলৈ পাইছো যে হুজুৰ (ছাঃ) খোদা তায়ালাৰ সত্য ৰছুল, তেন্তে এতিয়া আৰু আমাৰ পৰামৰ্শ লোৱাৰ কি প্ৰয়োজন আছে। যদি হুজুৰ (ছাঃ)য়ে আমাক দিয়ে তেন্তে আমি ঘোঁৰা সমুদ্ৰ গৰ্ভত চলাই যাম। আমি মুছা (আইঃ)ৰ আচহাবৰ দৰে নকওঁ যে যোৱা তুমি আৰু তোমাৰ খোদা ৰণ কৰাগৈ, আমি ইয়াতে বহি আছো বৰং আমি হুজুৰ (ছাঃ)ৰ সোঁৰে বাওঁৰে, আগে পিছে ৰণ চলাই যাম আৰু শত্ৰু তেখেত (ছাঃ) পৰ্যন্ত আহি মুঠেই পৌছাব নোৱাৰে যেতিয়ালৈকে শত্ৰুয়ে আমাৰ মৃতদেহ পেৰিয়াই নেয়াই। হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এই মুখলিচ চাহাবী সকল মোৰ বোধেৰে সেই সকল নিৰাপত্তা ৰক্ষীৰ অন্তৰ্গত আছিল, যি খোদা তায়ালা হুজুৰ (ছাঃ)ৰ হিফাজতৰ নিমিত্তে নিযুক্ত কৰিছিল।

এজন চাহাবীয়ে কৈছে যে মই আঁহজৰত (ছাঃ)ৰ লগত তেৰটামান যুদ্বত অংশগ্ৰহন কৰিছিলো কিন্তু মোৰ হৃদয় বাৰে বাৰে এই কথাখিনিয়ে জাগি উঠিছিল যে মই এই ৰণবোৰত অংশগ্ৰহন কৰাৰ সলনি সেই কথাখিনি কওঁতা হলোহেতেঁন, যি বাক্য কেইটা হজৰত ছাআদ বিন মুৱাজে আঁহজৰত (ছাঃ)ৰ সন্মুখত পৰামৰ্শ হিচাপে কৈছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে অহুদৰ যুদ্ব সম্পৰ্কে বৰ্ণনা কৰিবলৈ গৈ লিখিছে যে আঁহজৰত (ছাঃ)য়ে এটা ডাঙৰ জমাতৰ সৈতে নমাজে আছৰৰ পিছত অহুদ প্ৰান্তলৈ যাত্ৰা কৰিছিল। আউচ কবিলা আৰু খজৰজ কবিলাৰ চৰদাৰ ছাআদ বিন মুআজ (ৰাঃ)ৰ আৰু ছঈঁদ বিন আবাদা (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ বাহনৰ আগে আগে লাহে লাহে দৌৰি গৈছিল আৰু বাকী চাহাবা সকলে তেখেত (ছাঃ)ৰ সোঁৰে বাওঁৰে, আগে পিছে, আগবাঢ়িছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে অহুদৰ যুদ্বৰ পৰা মদিনালৈ

ওভতি আহিছিল আৰু নিজৰ অশ্বৰ পৰা অৱতৰণ কৰিছিল। তেতিয়া তেখেত (ছাঃ)য়ে হজৰত ছাআদ বিন মুৱাজ আৰু হজৰত ছঈদ বিন আবাদাৰ কান্ধত ভৰ দি নিজৰ ঘৰত প্ৰৱেশ কৰিছিল। হজৰত ছাআদ বিন মুৱাজৰ মাকৰ আঁহজৰত (ছাঃ)ৰ প্ৰতি কেনেকুৱা ভালপোৱা আছিল সেয়া বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে - অহুদৰ যুদ্ধৰ পৰা ওভতি আহোঁতে ৰছুলুল্লাহ (ছাঃ)য়ে আৰোহন কৰি অহা অশ্বৰ লেকাম হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে ধৰিছিল আৰু স্বগেৰিবে আগবাঢ়িছিল। অথচ এই যুদ্বত এখেত (ৰাঃ)ৰ ভাই এজনৰ মৃত্যু হৈছিল। হজৰত ছাআদ (ৰাঃ)ৰ মাতৃৰ বয়স আছিল তেতিয়া প্ৰায় ৪০ৰ পৰা ৪২ বছৰ আৰু দৃষ্টি শক্তি দূৰ্বল হৈ পৰিছিল। যুদ্বকালীন অৱস্থাত মদিনাত এয়া ভূৱা প্ৰচাৰ হৈ পৰিছিল যে আঁহজৰত (ছাঃ) যুদ্বত শ্বহীদ হৈ গৈছে। এই খবৰ শুনা মাত্ৰেই বুঢ়ীজনীয়ে কপি কপি বাহিৰলৈ গৈ আছিল। তেতিয়া হজৰত ছাআদ (ৰাঃ)মাকক আহি থকা দেখা পাই কৈছিল - ইয়া ৰছুলুল্লাহ (ছাঃ) মোৰ মাক আহি আছে। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে আহি সেই বৃদ্ধ মহিলাজনীৰ কাষ পাইছিল তেতিয়া তাই নিজৰ পুত্ৰ সকলৰ বিষয়ে একো সুধা নাছিল বৰং সুধিছিল যে ৰছুলে কৰিম (ছাঃ)য়ে কত আছে ? হজৰত ছাআদ (ৰাঃ)য়ে তাৰ উত্তৰ দিছিল যে আপোনাৰ সন্মুখতে আছে। যেতিয়া মহিলাজনীয়ে ওপৰ ফালে দৃষ্টি দিছিল আৰু তাইৰ দুৰ্বল দৃষ্টিৰে ৰছুলুল্লাহ (ছাঃ)ৰ মূখৰ পিনে ৰ লাগি চাইছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল বি,বি মই বৰ দুখিত, আপোনাৰ পুতেক এই যুদ্বত শ্বহীদ হৈছে। বুঢ়া বয়সত যদি কোনোবাই এনে বেদনাদায়ক খবৰ শুনিবলৈ পায় তেন্তে তাৰ হৃদয় বিদীৰ্ণ হৈ যায়। কিন্তু এই বৃদ্ধ মহিলাজনীয়ে ইমানেই প্ৰেমাস্পদ উত্তৰ দিছিল যে, তাই কৈছিল ইয়া ৰছুলুল্লাহ ! আপুনি এয়া কেনেকুৱা কথা কৈ আছে ! মোক কেৱল আপোনাৰ কল্যাণৰহে চিন্তা আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনা বৰ্ণনা কৰাৰ পিছত তেখেত (ৰাঃ)য়ে আহমদী নাৰী সকলক তবলিগৰ দায়িত্ব সম্পৰ্কে কৈছে যে এইজনীয়ে হ'ল সেই নাৰী যিজনীয়ে ইছলামৰ প্ৰচাৰ ,ও প্ৰসাৰৰ ক্ষেত্ৰত আৰু তবলিগৰ ময়দানত পুৰুষৰ লগত কান্ধ মিলাই চলিছিল। এইজনীয়ে আছিল সেই মহিলা যাৰ কোৰবানীৰ উৎকৰ্ষতাৰ ওপৰত ইছলামৰ অনুসাৰীয়ে গৌৰৱ বোধ কৰে। তোমালোকৰও দাবী যে তোমালোকে হজৰত মছিহ মাওউদ (আঃ)ৰ ওপৰত ঈমান স্থাপন কৰিছা আৰু হজৰত মছিহ মাওউদ (আঃ) আঁহজৰত (ছ্বঃ)ৰেই ছায়া স্বৰূপ, ভিন্ন শব্দত এয়া যে তোমালোকেও সেই চাহাবা সকলৰেই প্ৰতিচ্ছবি স্বৰূপ। কিন্তু তোমালোকে শুদ্বাৰ্থ কোৱাচোন বাৰু তোমালোকৰ হৃদয় পটত দ্বীন সম্পৰ্কে সেই অনুৰাগ ক্ৰীয়াশীল হৈ আছেনে, যেনেকৈ চাহাবীয়াত সকলৰ মাজত আছিল। কিয় ! তোমালোকৰ ভিতৰত সেই কিৰণ প্ৰজ্বলিত আছেনে, যি চাহাবীয়াত সকলৰ মাজত আছিল ? তোমালোকৰ সতি সন্তান কেনেকুৱা নেক (সাধু)আছেনে যেনেকুৱা চাহাবীয়াত সকলৰ আছিল ? যদি তোমালোকে চিন্তা কৰি চোৱা তেন্তে তোমালোকে নিজকে নিজে সেই চাহাবীয়া সকলৰ তুলনাত বহু পিছুৱাই থকা পাবা। সেই চাহাবীয়া সকলে যি কোৰ-বাণী কৰি থৈ গৈছে আজিলৈকে পৃথিৱীৰ দৰ্পনত তাৰ আন এটা উদাহৰণ বিচাৰি পাবলৈ নাই। তেওঁলোকৰ কোৰ-বাণী যিবোৰ তেওঁলোকে নিজৰ প্ৰাণেৰে হেতালি খেলি আগবঢ়াইছে সেয়া আল্লাহ তায়ালাৰ এনেকুৱা প্ৰিয় হৈছিল যে আল্লাহ তায়ালা অনতি পলমেই তেওঁলোকক কৃতকাৰ্য্যতা দান কৰিছিল আৰু বেলেগ যি কাম শত বছৰত কৰিব পৰা নাছিল, সেই কাম চাহাবা আৰু চাহাবীয়া সকলে কেইটামান বছৰৰ ভিতৰতেই সম্পন্ন কৰি দেখুৱাইছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইয়াত যিহেতু তেখেত (ৰাঃ)য়ে আহমদী নাৰী সমাজক উদ্দেশ্য কৰি কৈছে সেয়ে তেওঁলোকৰ বিষয়ে উল্লেখ কৰিছে অন্যথা বহু ঠাইত খোলাফা সকলে কৈ আহিছে, মইও অসংখ্য বাৰ কৈছো যে আমাৰ পুৰুষ সমাজেও এনে আদৰ্শ প্ৰদৰ্শন কৰিব লাগিব তেহে আমি যি দাবীৰে সৈতে আগবাঢ়িছো সেয়ে পৃথিৱী ব্যাপি ইছলাম প্ৰচাৰ কৰিব লাগিব আৰু জগতক ইছলামৰ পতাকা তলত লৈ আমিব লাগিব, ইয়াৰ ওপৰত আমল কৰিব পাৰিম। যেতিয়া আমাৰ কোৰবাণী আৰু আমাৰ কাৰ্য্য ক্ৰমনিকা চাহাবা-চাহাবীয়াত সকলৰ আদৰ্শ অনুযায়ী হব তেতিয়াহে এই কাম সাফল্য মণ্ডিত হব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এবাৰ ইহুদী কবিলা বণু নজিৰে আঁহজৰত (ছাঃ)ৰ ওপৰত পাথৰ পেলাই দি প্ৰাণ বিনাশৰ পৰিকল্পনা কৰিছিল। আল্লাহ তায়ালা সেয়া অহিৰ জৰিয়তে আঁহজৰত (ছাঃ)ক জনাইছিল। আঁহজৰত (ছাঃ)য়ে সেই কবিলাক ঘেৰাও কৰাৰ আদেশ দিছিল। এই কুঅভিসন্ধিৰ ফলতেই অৱশেষত সেই কবিলাক মদিনাৰ পৰা খেদি পঠোৱা হৈছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে বণু নজিৰৰ মালামাল যুদ্বৰ গণিমত হিচাপে পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে আউচ আৰু খজৰজ কবিলাক মাতি পঠিয়াইছিল। আঁহজৰত (ছাঃ)য়ে আল্লাহ তায়ালাৰ শলাগ লৈ তাৰ প্ৰসংশা বৰ্ণনা কৰিছিল। তাৰ পিছত মুহাজেৰিন সকলৰ প্ৰতি আনছাৰ সকলৰ দয়া আৰু অৱদান সম্পৰ্কে বৰ্ণনা কৰিছিল আৰু কৈছিল যদি তোমালোকে পছন্দ কৰা তেন্তে মই বণু নজিৰৰ পৰা লাভ কৰা ধন-মাল তোমালোক আৰু মুহাজেৰিন সকলৰ মাজত ভগাই দিম। মুহাজেৰিন সকলে আগৰ দৰেই তোমালোকৰ ঘৰতেই থাকিব। কিন্তু আন ব্যৱস্থা হল এয়া যে যদি তোমালোকে পছন্দ কৰা তেন্তে এই ধন সম্পদ মই কেৱল মুহাজেৰিন সকলৰ মাজত বিতৰণ কৰি দিম, ফলত তেওঁলোকে তোমালোকৰ ঘৰৰ পৰা ওলাই যাব। এই কথাবোৰ শুনি হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে আৰু হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে কৈছিল যে

ইয়া ৰছুলুল্লাহ (ছাঃ) আপুনি এই সম্পদ কেৱল মুহাজেৰিন সকলক ভগাই দিয়ক কিন্তু তেওঁলোকে আগৰ দৰেই আমাৰ ঘৰতে থাকিব আৰু আমাৰ মাজত ভাতৃত্ব বন্ধন অটুট থাকিব। এয়া শুনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল - হে আল্লাহ ! তুমি আনছাৰ সকলৰ ওপৰত ৰহমত দান কৰা আৰু আনছাৰ সকলৰ সতি - সন্তানৰ ওপৰত ৰহমত দান কৰা। ইয়াৰে পিছত ৰছুলে কৰিম (ছাঃ)য়ে সেই ধন-মাল কেৱল মুহাজেৰিন সকলক ভগাই দিছিল। আঁহজৰত (ছাঃ)য়ে এই ধন-মালৰ পৰা হজৰত ছাআদ বিন মুৱাজক আবু হাকিক ইহুদীৰ তৰোৱাল খন দিছিল। এই তৰোৱাল খন ইহুদী সকলৰ মাজত বিখ্যাত তৰোৱাল হিচাপে জনাজাত আছিল।

এটা সময়ত যেতিয়া হজৰত আয়শা (ৰাঃ)ৰ ওপৰত, তাইৰ চৰিত্ৰ সম্পৰ্কে দোষ জাপি দিয়া হৈছিল আৰু আঁহজৰত (ছাঃ)য়ে বৰ মনোকষ্টেৰে সৈতে দিন পাৰ কৰিব লগা হৈছিল, তেতিয়া আঁহজৰত (ছাঃ)য়ে এবাৰ সেই মুনাফকি সকলৰ বদামি চাহাবা সকলৰ সন্মুখত উত্থাপন কৰিছিল। তেতিয়া হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে তাৰ হৃদয় কক্ষৰ অনাবিল প্ৰেমৰ ঝঙ্কাৰ আকুল কণ্ঠৰে ব্যাগ্ৰতা ভৰে প্ৰকাশ কৰিছিল। আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক মাতি আনি এঠাইত জমা কৰি কৈছিল- তোমালোকৰ কোনোবাই আছেনে, যিয়ে মোক ব্যক্তিৰ পৰা ৰক্ষা কৰিব, যিজনে মোক বৰ দুখ দিছে ? তেতিয়া এই হজৰত ছাআদ বিন মুৱাজে, যিজন আউচ কবিলাৰ চৰদাৰ আছিল, থিয় হৈ কৈছিল - ইয়া ৰছুলুল্লাহ ! যদি সেই লোকজন আমাৰ মাজৰ কোনোবায় হয় তেন্তে মই তাক হত্যা কৰি পেলোৱাব বাবে সাজু আছোঁ আৰু আৰু যদি সেইজন লোক খজৰজৰ ফালৰও হৈ থাকে তথাপি তাক মই হত্যা কৰিম।

খন্দকৰ যুদ্বৰ সময়ত আবু ছুফিয়ানে বণু-কুৰাইজাৰ চৰদাৰ কাআব বিন আছুদক সেউজীয়া বাগানৰ লোভ দেখুৱাই আৰু মুছলমান সকলৰ ধংস অনিবাৰ্য্য বুলি পতিয়ন নিয়াই, মুছলমানৰ সৈতে থকা চুক্তি সাপেক্ষে কাম নকৰিবলৈ সন্মত কৰাইছিল যে কাআব বিন আছুদ মক্কাৰ কাফিৰ সকলক সহায় কৰিব। এই গোপন অভিসন্ধি আঁহজৰত (ছাঃ)য়ে গম পোৱা মাত্ৰেই যে বণু কুৰাইজা এক বিপদজনক প্ৰৱঞ্চনাৰ পৰিকল্পনা হাতত লৈছে, তেখেত (ছাঃ)য়ে কবিলা আউস্তি আৰু খজৰজৰ চৰদাৰ ছাআদ বিন মুৱাজ আৰু ছঈদ বিন আবাদাহ (ৰাঃ)ৰ লগতে আৰু কেইজনমান প্ৰভাৱশালী চাহাবাৰ এটা দল বণু কুৰাইজাৰ ওচৰলৈ পঠাই দিছিল। বণু কুৰাইজা আৰু তাৰ নেতা কাআব বিন আছুদে চুক্তিৰ কথা উল্লেখ কৰাত কৈছিল যে - যোৱাগৈ, মহম্মদ (ছাঃ) আৰু আমাৰ মাজত কোনো ধৰণৰ চুক্তি হোৱা নাই, আমি কোনো ধৰণৰ চুক্তি সম্পাদন কৰা নাই। এই অস্বীকাৰ সূচক কথা শুনি চাহাবা সকলৰ দলটো তাৰ পৰা ওভতি আহিছিল আৰু ছাআদ বিন মুআজ (ৰাঃ) আৰু হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ দৰবাৰত উপস্থিত হৈ ঠিক-ঠাক ভাৱে উক্ত ঘটনাৰ বিৱৰি জনাইছিল।

খন্দকৰ যুদ্বৰ অন্তত যেতিয়া মুছলমান সকলে নিজৰ ঘৰলৈ ওভতি আহিছিল তেতিয়া আল্লাহয তায়ালা আঁহজৰত (ছাঃ)ক কাশফি অৱস্থাৰ মাজেৰে বণু কুৰাইজাৰ মাজেৰে বণু কুৰাইজাৰ বিদ্ৰোহ আৰু প্ৰৱঞ্চনাৰ বাবে শাস্তি দিয়াৰ নিৰ্দেশ পাইছিল। এই যুদ্বৰ এটা দীঘলীয়া বৰ্ণনা আছে, য'ত হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ বণু কুৰাইজাক দিয়া ৰায়ৰ মাজত এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। এতিয়া সময় কম গতিকে ভৱিষ্যতে ইনশা আল্লাহ বৰ্ণনা কৰা হব। (আমিন)

“আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওয়া নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ”।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 03 JULY . 2020**

**(BOOK POST PARINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**